# REGIONAL NEWS UNIT
AKASHVANI, GUWAHATI
0000000000

**Date :** 19-12-2024
**Time :** 1715 Hrs

## *Assamese Evening Bulletin*

\- - - - - - - - - - - - - -

ৰাজভৱনৰ সন্মুখত কোনোধৰণৰ বিক্ষোভ কাৰ্যসূচীৰ বাবে এতিয়াৰে পৰা অনুমতি প্ৰদান কৰা নহ'ব বুলি মুখ্যমন্ত্ৰী ড০ হিমন্ত বিশ্ব শৰ্মাই প্ৰকাশ কৰিছে। তেওঁ কয়, যে প্ৰতিবাদ সাব্যস্ত কৰাৰ বাবে ইতিপূৰ্বে নিৰ্দিষ্ট স্থান নিৰ্ধাৰণ কৰি দিয়া হৈছে। ৰাজ্যপালৰ সাংবিধানিক পদ মৰ্যাদা দলীয় ৰাজনীতিৰ উৰ্ধত বুলি উল্লেখ কৰি মুখ্যমন্ত্ৰীয়ে কয়, যে কালি কংগ্ৰেছ দলৰ নেতাসকলে আৰক্ষীৰ বেষ্টনী ভংগ কৰি ৰাজভৱনত বলপূৰ্বকভাৱে প্ৰৱেশৰ চেষ্টা চলোৱাৰ লগতে বিশৃংখলতাৰ সৃষ্টি কৰিছিল। আৰক্ষীয়ে এজাহাৰ পঞ্জীয়ন কৰি এই সন্দৰ্ভত ৰেকৰ্ড হোৱা ভিডিঅ' পৰ্যালোচনাৰ লগতে অন্যান্য ব্যৱস্থা গ্ৰহণ কৰিব বুলি মুখ্যমন্ত্ৰীয়ে ঘোষণা কৰে।

ৰাজ্যৰ ৰাজধানী দিছপুৰত আইন শৃংখলা বৰ্তাই ৰখাৰ বাবে গুৱাহাটী পূব আৰক্ষী জিলাৰ উপ-আয়ুক্ত মৃণাল ডেকাই কেতবোৰ নিষেধাজ্ঞা জাৰি কৰিছে। ৰাজধানী চৌহদৰ এক কিলোমিটাৰ ব্যাসাৰ্ধৰ ভিতৰত ৫ জনৰ অধিক লোকৰ সমাগম আৰু অনুমতি অবিহনে প্ৰতিবাদ, শোভাযাত্ৰা আৰু শ্ল'গান দিয়াত নিষেধাজ্ঞা আৰোপ কৰা হৈছে। ভাৰতীয় নাগৰিক সুৰক্ষা সংহিতাৰ ১৬৩ নম্বৰ ধাৰাৰ অধীনত জনসাধাৰণৰ শান্তি বিঘ্নিত কৰা কাৰ্যকলাপ আৰু অযথা জনসমাগম নিষিদ্ধ কৰাৰ ক্ষমতা কৰ্তৃপক্ষক দিয়া হৈছে।

ooooo

কংগ্ৰেছ দলে কালি গুৱাহাটীৰ ৰাজভৱন চলো অভিযানৰ বাতৰি সংগ্ৰহ কৰিবলৈ যোৱা কৰ্তব্যৰত সাংবাদিক আইন-শৃংখলা ৰক্ষাকাৰী আৰক্ষীৰ হাতত আহত হোৱা ঘটনাৰ প্ৰতিবাদত আজি ৰাজ্যখনৰ সাংবাদিকসকলে ক'লা বেজ পৰিধান কৰি প্ৰতিবাদ সাব্যস্ত কৰিছে। গুৱাহাটী প্ৰেছ ক্লাবত আজি দুপৰীয়া ইয়াৰ প্ৰতিবাদৰ বাবে এখন সভা অনুষ্ঠিত হয়। এই কাৰ্যসূচীত গুৱাহাটীৰ বিভিন্ন সংবাদ প্ৰতিষ্ঠানৰ শতাধিক সংবাদকৰ্মীয়ে অংশগ্ৰহণ কৰে। সংবাদকৰ্মীসকলে এই ঘটনাক গৰিহণা দিয়াৰ লগতে ভৱিষ্যতে এনে ঘটনাৰ পুনৰাবৃত্তি নকৰিবলৈ আৰু সাংবাদিকসকলৰ সুৰক্ষা নিশ্চিত কৰিবলৈ আহ্বান জনায়। হাজো আৰু ৰঙিয়াতো স্থানীয় সাংবাদিকসকলে এই ঘটনাৰ প্ৰতিবাদত কাৰ্যসূচী গ্ৰহণ কৰে। আমাৰ আগৰ বাতৰিতে কোৱা হৈছে যে, কালি কংগ্ৰেছ দলৰ ৰাজভৱন চলো অভিযানকালত আৰক্ষীয়ে কন্দুৱা গেছ প্ৰয়োগ কৰাৰ ফলত মৃদুল ইছলাম নামৰ এজন কংগ্ৰেছ কৰ্মী আহত হৈছিল আৰু পাছত তেওঁৰ হাস্পতালত মৃত্যু হৈছিল। এই ঘটনাত এটা বৈদ্যুতিন চেনেলৰ এজন জ্যেষ্ঠ সাংবাদিককে ধৰি কেইবাজনো সাংবাদিকো আহত হৈছিল।

ooooo

অসম আৰক্ষীৰ বিশেষ কাৰ্যবাহিনীয়ে কেৰালা আৰু পশ্চিমবংগৰ আৰক্ষীৰ সৈতে যুটীয়াভাৱে চলোৱা অভিযানত ৮ জন মৌলবাদী সংগঠনৰ সদস্যক গ্ৰেপ্তাৰ কৰিছে। ইয়াৰ ভিতৰত কেৰালাৰ পৰা গ্ৰেপ্তাৰ কৰা এজন অভিযুক্ত বাংলাদেশী নাগৰিক বুলি আৰক্ষীৰ সূত্ৰই প্ৰকাশ কৰিছে। **প্ৰঘাত** নামৰ অভিযানৰ অধীনত

চোৰাংচোৱাৰ তথ্যৰ পম খেদি আৰক্ষীয়ে ৰাষ্ট্ৰ বিৰোধী কাৰ্যকলাপ প্ৰতিহত কৰাৰ চেষ্টা চলায়। আজি গুৱাহাটীৰ উলুবাৰী অসম আৰক্ষীৰ মুখ্য কাৰ্যালয়ত আয়োজিত সংবাদমেলত আৰক্ষীৰ বিশেষ সঞ্চালকপ্ৰধান হৰমিত সিঙে আৰক্ষী মহাপৰিদৰ্শক পাৰ্থসাৰথি মহন্তৰ উপস্থিতিত এই বিষয়ে প্ৰকাশ কৰে।

গ্ৰেপ্তাৰ কৰা লোককেইজনৰ পৰা ভালেসংখ্যক আপত্তিজনক নথি-পত্ৰ, মোবাইল ফোন আৰু কাৰিকৰী তথ্য প্ৰমাণ জব্দ কৰা হৈছে বুলি আৰক্ষীৰ সূত্ৰই প্ৰকাশ কৰিছে। এই তথ্য প্ৰমাণসমূহৰ পৰা আৰক্ষীয়ে এই লোককেইজনৰ বাংলাদেশ আৰু পাকিস্তানৰ কেতবোৰ সন্দেহজনক গোটৰ সৈতে সঘনে যোগাযোগ থকা বুলি নিশ্চিত হৈছে।

ooooo

এই বছৰৰ সংস্কৃত ভাষাত সাহিত্য একাডেমী পুৰস্কাৰৰ বাবে নিৰ্বাচিত হৈছে বিশিষ্ট পণ্ডিত তথা কুমাৰ ভাস্কৰ বৰ্মা সংস্কৃত আৰু পূৰাতন বিশ্ববিদ্যালয়ৰ প্ৰাক্তন উপাচাৰ্য ড০ দীপক কুমাৰ শৰ্মা। তেওঁৰ কাব্যগ্ৰন্থ **ভাস্কৰ চৰিতম**ৰ বাবে এই পুৰস্কাৰ লাভ কৰিছে। আমাৰ বিশেষ সংবাদদাতা ৰাজীৱ লোচন বৰঠাকুৰৰ আগত ড০ শৰ্মাই তেওঁৰ অনুভৱ এইদৰে ব্যক্ত কৰে।

ঃবাইটঃ

ooooo

কেন্দ্ৰীয় অনুসন্ধানকাৰী সংস্থা চি বি আইয়ে বিত্তীয় অনিয়মৰ গোচৰত গুৱাহাটীত সংস্থাটোৰ বিশেষ আদালতত তিনিগৰাকী অভিযুক্তৰ বিৰুদ্ধে এখন পৰিপূৰক অভিযোগনামা দাখিল কৰিছে। ছবিন বৰ্মন, দিপালী তালুকদাৰ বৰ্মন আৰু মুকেশ আগৰৱাল নামৰ লোক তিনিজনৰ বিৰুদ্ধে এই অভিযোগনামা দাখিল কৰা হৈছে। তিনিওজন অভিযুক্তক গ্ৰেপ্তাৰ কৰাৰ ৩ মাহৰ ভিতৰতে অভিযোগনামা দাখিল কৰা হয়। অভিযুক্ত লোককেইজন সম্প্ৰতি ন্যায়িক জিম্মাত আছে। ইপিনে এই গোচৰত ইতিমধ্যে অভিযোগনামা দাখিল হোৱা মনালিছা দাস নামৰ অভিযুক্তগৰাকীৰ বিৰুদ্ধে অতিৰিক্ত তথ্য প্ৰমাণ দাখিল কৰা হৈছে।

ooooo

সমাপ্ত